# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-06-2024
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

**- - - - - - - - - - - - - - -**

১। অষ্টাদশ লোকসভাৰ প্ৰথম অধিবেশনত কাইলৈ নৱনিৰ্বাচিত সদস্যৰ শপত গ্ৰহণ।

২। দেশৰ শেহতীয়া বান ব্যৱস্থাপনাৰ সামগ্ৰিক প্ৰস্তুতি সন্দৰ্ভত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ পৰ্যালোচনা। অসমৰ বান পৰিস্থিতিক লৈয়ো আলোচনা।

৩। অম্বুবাচী মেলা উপলক্ষে শক্তিপীঠ কামাখ্যা ধামত দেশী-বিদেশী ভক্তৰ সমাগম।

৪। আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱস উপলক্ষে দেশৰ এথলিটসকললৈ কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াৰ শুভেচ্ছা জ্ঞাপন।

আৰু

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ খেলত ইংলেণ্ড আমেৰিকা যুক্তৰাষ্ট্ৰৰ মুখামুখি।

০০০০০০০

অষ্টাদশ লোকসভাৰ প্ৰথম অধিবেশন কাইলৈ আৰম্ভ হ'ব। এই অধিবেশনত নৱনিৰ্বাচিত সদস্যসকলে শপতগ্ৰহণ কৰিব। অস্থায়ী অধ্যক্ষ হিচাপে নিযুক্তি লাভ কৰা বি জে পিৰ জ্যেষ্ঠ সাংসদ ভত্ৰুহৰি মহতাবে লোকসভাৰ নৱনিৰ্বাচিত সাংসদসকলক শপতবাক্য পাঠ কৰোৱাব। লোকসভাৰ নতুন অধ্যক্ষ নিৰ্বাচন ২৬ জুনত অনুষ্ঠিত হ'ব। আনহাতে,- ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২৭ জুনত লোকসভা আৰু ৰাজ্যসভাৰ যুটীয়া বৈঠকত ভাষণ দিব। ৰাজ্যসভাৰ অধিবেশন ২৭ জুনত আৰম্ভ হ'ব। ৩ জুলাইত সংসদৰ অধিবেশনৰ সামৰণি পৰিব। এতিয়া আমি নতুন দিল্লীত থকা আমাৰ সংবাদদাতা মানস প্ৰতীম শৰ্মাৰ সৈতে কথা পাতিম।

*প্ৰঃ* কাইলৈ অষ্টাদশ লোকসভাৰ প্ৰথম অধিবেশন আৰম্ভ হ'ব। এই অধিৱেশনৰ গুৰুত্ব সন্দৰ্ভত আপুনি কি ক'ব ? যিহেতু এই অধিৱেশনত নতুন সাংসদসকলে শপত গ্ৰহণ কৰাৰ লগতে অধ্যক্ষ নিৰ্বাচনো কৰা হ'ব। অধ্যক্ষৰ দায়িত্ব কাক অৰ্পন কৰাৰ সম্ভাৱনা আছে ?

ঃ ভইচ ঃ

কাইলৈ আৰম্ভ হ'বলগীয়া লোকসভা অধিৱেশন সম্পৰ্কত আপুনি আমাক জনালে। পৰৱৰ্তী সময়ত এই অধিৱেশন সন্দৰ্ভত অন্যান্য তথ্যৰ বাবে আপোনাৰ সৈতে সংযুক্ত হ'ম।

০০০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত আজি নতুন দিল্লীত অনুষ্ঠিত এখন বৈঠকত দেশত বান ব্যৱস্থাপনাৰ সামগ্ৰিক প্ৰস্তুতিৰ পৰ্যালোচনা চলোৱা হয়।

বৈঠকত কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিল, কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায় আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় আৰু বিভাগৰ সচিবসকল উপস্থিত থাকে।

এইবাৰৰ বানত অসমৰ কেইবাখনো জিলাৰ লাখ লাখ লোক ক্ষতিগ্ৰস্ত হৈছে। অলপতে উত্তৰাখণ্ড, হিমাচল প্ৰদেশ আৰু ছিকিমসহ একাংশ ৰাজ্যত ভূমিস্খলন হৈছে। একেদৰে যোৱা মাহত ৰিমাল ঘূৰ্ণীবতাহৰ ফলত ত্ৰিপুৰাত ব্যাপক ক্ষতিসাধন হৈছে। উল্লেখযোগ্য যে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে এইবাৰ বাৰিষা কালত স্বাভাৱিকতকৈ অধিক বৰষুণ হ'ব বুলি আগলি বতৰা দিছে।

০০০০০০০

ৰাজ্যৰ শেহতীয়া বান পৰিস্থিতি সামান্য উন্নত হৈছে। বৰপেটা জিলাতো প্ৰধান নৈ কেইখনৰ জলপৃষ্ঠ হ্ৰাস পাইছে যদিও এতিয়াও বহু অঞ্চল জলমগ্ন হৈ আছে। বিশেষকৈ সৰ্থেবাৰী আৰু সৰুক্ষেত্ৰীৰ কেইবাখনো গাঁও বৰ্তমানেও প্লাৱিত হৈ আছে। অৱশ্যে বৰপেটা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ প্ৰকল্প বিষয়া ড° নন্দিতা দত্তই জিলাখনত বানৰ প্ৰকোপ হ্ৰাস পোৱা বুলি প্ৰকাশ কৰিছে। তেওঁ কয় যে জিলাখনৰ মাজেৰে বৈ যোৱা বেঁকী, মানাহ, নখান্দা, মৰা চাউলখোৱা আৰু এলেঙীৰ জলপৃষ্ঠ হ্ৰাস পাইছে। ইপিনে, বৰপেটা জিলা প্ৰশাসনে বানপীড়িত লোকৰ মাজত আজি খাদ্য সামগ্ৰী বিতৰণ কৰে। সৰ্থেবাৰী আৰু সৰুক্ষেত্ৰীৰ কেইবাটাও স্থানত পশুখাদ্যও বিতৰণ কৰা হয়।

০০০০০০০

জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি কৰিমগঞ্জৰ বদৰপুৰ ঘাটত জলসম্পদ বিভাগৰ এখন শ্লুইছ গেট পৰিদৰ্শন কৰে। বৰাক নদীৰ বাঢ়নি পানীয়ে এই স্থানত সমস্যাৰ সৃষ্টি কৰি অহাৰ পৰিপ্ৰেক্ষিতত মন্ত্ৰী শ্ৰী হাজৰিকাই জলসম্পদ বিভাগৰ সংশ্লিষ্ট বিষয়াসকলক জৰুৰীকালীনভাৱে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে কৰিমগঞ্জ জিলাৰ শ্ৰীগৌৰীত বৰাক নদীয়ে সৃষ্টি কৰা খহনীয়া পৰিদৰ্শন কৰে। বৰাক নদীৰ খহনীয়াই ৰাষ্ট্ৰীয় ঘাইপথৰ ক্ষতি কৰাৰ ফলত পথটোৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। সেয়ে, এই স্থানত জলসম্পদ বিভাগে খহনীয়া ৰোধৰ বাবে তৎপৰতাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। খহনীয়া হোৱা স্থানত জলসম্পদ বিভাগে ৫০০ মিটাৰ দৈৰ্ঘ্যৰ স্থায়ী খহনীয়া প্ৰতিৰোধ ব্যৱস্থাৰ কাম হাতত ল'ব বুলি তেওঁ প্ৰতিশ্ৰুতি দিয়ে। পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীৰ সৈতে বিধায়ক কৌশিক ৰায়, কৃষ্ণেন্দু পাল, বিজয় মালাকাৰ আৰু কমলাক্ষ দে' পুৰকায়স্থই সহযোগ কৰে।

০০০০০০০

অম্বুবাচী মেলা উপলক্ষে শক্তিপীঠ কামাখ্যা ধামত দেশী-বিদেশী ভক্তৰ ভিৰ অব্যাহত আছে। অম্বুবাচী মেলাৰ আজি দ্বিতীয় দিনা বিভিন্ন বেশ-ভূষাৰ সাধু, সন্নাসী তথা ভক্তৰ সমাগমেৰে কামাখ্যা মন্দিৰৰ চৌহদত উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। কামাখ্যা মন্দিৰৰ দলৈ কবিন্দ প্ৰসাদ শৰ্মাই সংবাদ মাধ্যমক জনোৱা অনুসৰি কালিৰ দিনটোত ১ লাখৰ পৰা ডেৰ লাখ ভক্তৰ সমাগম হয়। আজি বন্ধৰ বাৰ হোৱা বাবে ভক্তৰ সংখ্যা তুলনামূলকভাৱে বৃদ্ধি হোৱা বুলি তেওঁ জানিবলৈ দিয়ে। অম্বুবাচী মেলা পৰিচালনা সমিতি আৰু আৰক্ষী প্ৰশাসনে বান্ধি দিয়া নীতি-নিয়মসমূহ সকলোকে মানি চলিবলৈ তেওঁ আহ্বান জনায়। উল্লেখযোগ্য যে ২৬ জুনত দেৱীক পৰম্পৰাগতভাৱে স্নান আৰু নিত্য পূজাৰ পাছত পুৱা ৬ বজাত মন্দিৰৰ দুৱাৰ মুকলি কৰা হ'ব। কামাখ্যা মন্দিৰ পৰিচালনা সমিতিয়ে প্ৰকাশ কৰা মতে অহা ৩০ জুনলৈ কোনোধৰণৰ ভি আই পি, ভি ভি আই পিৰ প্ৰৱেশ পত্ৰৰ ব্যৱস্থা ৰখা হোৱা নাই। একেদৰে ২৬ আৰু ২৭ জুনত বিশেষ টিকটৰ ব্যৱস্থা নাথাকিব। তদুপৰি ভক্তসকলক মেলাৰ কেইদিন নিশা ৮ বজা পৰ্যন্তহে নীলাচল পাহাৰত প্ৰৱেশ কৰিবলৈ দিয়া হ'ব। অৱশ্যে পাণ্ডুৰ পৰা কামাখ্যা মন্দিৰলৈ যোৱা পথটো ভক্তসকলৰ বাবে নিশা ৯ বজা পৰ্যন্ত খোলা থাকিব। অম্বুবাচী মেলাৰ বাবে প্ৰশাসনে পৰহি মাজ নিশালৈ গাড়ী-মটৰ চলাচলত বিশেষ নিৰ্দেশনা জাৰি কৰিছে। যান বাহন শাখাৰ উপায়ুক্তই জনোৱা মতে কেইবাটাও পথত যানবাহন চলাচলৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰা হৈছে। তীৰ্থযাত্ৰী, ভক্ত,

দিব্যাংগসকলৰ সুৰক্ষিত যাতায়াত নিশ্চিত কৰাৰ লগতে জৰুৰীকালীন সেৱাৰে জড়িত যান-বাহনৰ চলাচল সুচল কৰাৰ বাবে এই বাধা আৰোপ কৰা হৈছে। অম্বুবাচী মেলাৰ সময়ছোৱাত নামনিৰ পৰা কামাখ্যা মন্দিৰলৈ উঠি যোৱা পথছোৱাত কোনো বাহন চলাচল কৰিব নোৱাৰিব।  ইপিনে, ভক্তসকল যাতে কোনোধৰণৰ অসুবিধাৰ সন্মুখীন নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি কামাখ্যা ৰে'ল ষ্টেচন আৰু পাণ্ডু ঘাটত দুটাকৈ আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। তদুপৰি প্ৰশাসনৰ অনুমতি লাভ কৰা বিভিন্ন স্বেচ্ছাসৱী সংগঠনে ভক্তসকলক খাদ্য যোগান ধৰিছে। মহোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষী প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। ইপিনে, কামৰূপ মহানগৰ জিলাৰ শিক্ষা বিভাগে বিদ্যালয়সমূহলৈ অম্বুবাচী মেলাৰ সময়ত পৰীক্ষা অনুষ্ঠিত নকৰিবলৈ নিৰ্দেশ জাৰি কৰিছে।

0000000

ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠক অহা ২৬ জুনত নলবাৰীত অনুষ্ঠিত হ'ব। দিছপুৰৰ বাহিৰত হ'বলগীয়া চতুৰ্দশ মন্ত্ৰীসভাৰ বৈঠকৰ বাবে নলবাৰী জিলা প্ৰশাসনে প্ৰস্তুতি চলাইছে। এই উদ্দেশ্যে আজি কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই নলবাৰী জিলা আয়ুক্ত কাৰ্যালয়ত এখন প্ৰস্তুতি বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত জিলা প্ৰশাসন আৰু অন্যান্য সংশ্লিষ্ট বিষয়াসকলৰ সৈতে কেবিনেট বৈঠক সন্দৰ্ভত যাৱতীয় পৰিকল্পনা গ্ৰহণ কৰা হয়।

0000000

কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱস উপলক্ষে দেশৰ এথলিটসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সমাগত পেৰিছ অলিম্পিকত সুন্দৰ খেল প্ৰদৰ্শনেৰে দেশৰ মান উজ্বলাই তুলিবলৈ তেওঁ খেলুৱৈসকলক শুভেচ্ছা জনায়। ক্ৰীড়াৰ জৰিয়তে শান্তি আৰু সম্প্ৰীতিৰ এনাজৰী সুদৃঢ় কৰি তোলাৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱসৰ বিশেষ তাৎপৰ্য আছে বুলি তেওঁ মন্তব্য কৰে।

ইপিনে, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি নগাঁৱৰ নুৰুল আমিন ষ্টেডিয়ামত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা 'অলিম্পিক ডে ৰান' শীৰ্ষক মাৰাথন দৌৰ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে পতাকা জোকাৰি মুকলি কৰে। এই অনুষ্ঠানত ক্ৰীড়া মন্ত্ৰী নন্দিতা গাৰ্লোছা আৰু বিধায়ক ৰূপক শৰ্মা উপস্থিত থাকে।

0000000

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাৰবাডোছত আজি হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত ইংলেণ্ডে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাৰ আজি পুৱা কিংষ্টনত অনুষ্ঠিত ছুপাৰ এইট পৰ্যায়ৰ খেলত আফগানিস্তানে অষ্ট্ৰেলিয়াক ২১ ৰাণত পৰাস্ত কৰে। খেলখনত আফগানিস্তানে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত পাঁচটা উইকেটৰ বিনিময়ত ১৪৮ ৰাণ কৰে। প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই ১৯ অ'ভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১২৭ ৰাণহে কৰিবলৈ সমৰ্থ হয়। আফগানিস্তানৰ হৈ গুলবাদিন নঈবে চাৰিটা গুৰুত্বপূৰ্ণ উইকেট দখল কৰে। গুলবাদিনক প্লেয়াৰ অব দ্য মেচ ঘোষণা কৰা হয়। অষ্ট্ৰেলিয়াই কাইলৈ ভাৰতৰ বিৰুদ্ধে ছুপাৰ এইট পৰ্যায়ৰ অন্তিমখন মেচত অৱতীৰ্ণ হ'ব।

0000000

তিনিচুকীয়া জিলাৰ কাকপথাৰৰ কুলিবিল গাঁৱৰ শৰৎ মৰাণে ইন্দো-বাংলাদেশ হেণ্ডবল চেম্পিয়নশ্বিপৰ বাবে ভাৰতীয় জাতীয় দলত স্থান লাভ কৰিছে। বিগত ১০ বছৰ ধৰি হেণ্ড বল খেলি অহা মৰানে ভাৰতীয় দলত স্থান লাভ কৰাত পৰিয়াল আৰু গাঁওবাসীয়ে আনন্দ প্ৰকাশ কৰিছে। ইপিনে, আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনৰ বাবে ঘোষণা কৰা

ভাৰতীয় মহিলা হেণ্ডবল দলত ধেমাজি জিলাৰ মৃদুস্মিতা লাগাছুৱে স্থান লাভ কৰিছে। লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰী লাগাছুৱে জাতীয় দলত স্থান লাভ কৰাত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে খেলুৱৈগৰাকীক অভিনন্দন জনায়।

0000000

অসমৰ এগৰাকী প্ৰসিদ্ধ শিক্ষাবিদ, বিশিষ্ট সমাজসেৱী কটন কলেজৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক দ্বিজেন্দ্ৰ নাৰায়ণ গোস্বামীৰ আজি পুৱা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৬ বছৰ। নলবাৰী জিলাৰ নপ্তিপাৰা সত্ৰত জন্মগ্ৰহণ কৰা গোস্বামীয়ে প্ৰথম ডিফু চৰকাৰী মহাবিদ্যালয় আৰু শ্বিলঙৰ শংকৰদেৱ কলেজতো অধ্যাপনা কৰিছিল। বিভিন্ন সামাজিক কাম-কাজত সক্ৰিয় ভূমিকা গ্ৰহণ কৰা গোস্বামীৰ বিয়োগত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে। ৰাজ্যৰ শিক্ষা আৰু সমাজ ব্যৱস্থালৈ তেওঁৰ অৱদানে নৱপ্ৰজন্মক সদায় অনুপ্ৰাণিত কৰি ৰাখিব বুলি ব্যক্ত কৰি মুখ্যমন্ত্ৰীয়ে তেওঁৰ বিদেহ আত্মাৰ চিৰ শান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালক গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

0000000

## BULLETIN REVIEW

পশ্চিমবংগৰ ৰঙাপানীত সংঘটিত ৰে'ল দুৰ্ঘটনা, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আই আই টি খড়গপুৰৰ ছাত্ৰাবাসত ৰহস্যজনক পৰিস্থিতিত তিনিচুকীয়াৰ কচুজানৰ ছাত্ৰ ফাইজান আহমেদৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাৰ প্ৰকৃত সত্য উদঘাটনৰ বাবে বিষয়টোৰ তদন্ত চি বি আইৰ হাতত অৰ্পণ কৰিবলৈ পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীক আহ্বান, আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপনকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰিয়ে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

পশ্চিমবংগৰ ৰঙাপানী ষ্টেচনত যোৱা ১৭ জুনৰ পুৱা সংঘটিত ৰে'ল দুৰ্ঘটনাত দুগৰাকী ৰে'ল কৰ্মচাৰীসহ ৯ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৪১ জন লোক আহত হয়। নিউ জলপাইগুৰিৰ ৰে'ল ষ্টেচনৰ সমীপত শিয়ালদহলৈ গৈ থকা কাঞ্চনজংঘা এক্সপ্ৰেছ আৰু এখন মালবাহী ৰে'লৰ মাজত হোৱা সংঘৰ্ষৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে দুৰ্ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ বুজ লয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিমবংগত সংঘটিত ৰে'ল দুৰ্ঘটনাটোত গভীৰ শোক প্ৰকাশ কৰে। শ্ৰী মোদীয়ে প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা প্ৰতিগৰাকী নিহতৰ নিকটাত্মীয়লৈ ২ লাখ টকা আৰু আহতসকললৈ ৫০ হাজাৰ টকাৰ এককালীন সাহায্যৰ বিষয়েও ঘোষণা কৰিছে।

আনহাতে ভাৰতীয় ৰে'লৱে দুৰ্ঘটনাত নিহতৰ নিকতাত্মীয়লৈ ১০ লাখ, গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত সকললৈ আঢ়ৈ লাখ আৰু সামান্যভাৱে আহত লোকসকলক ৫০ হাজাৰ টকাৰ সাহাৰ্য প্ৰদান কৰা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ঘোষণা কৰে।

0000000

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আই আই টি খড়গপুৰৰ ছাত্ৰাবাসত ৰহস্যজনক পৰিস্থিতিত তিনিচুকীয়াৰ কচুজানৰ ছাত্ৰ ফাইজান আহমেদৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাৰ প্ৰকৃত সত্য উদঘাটনৰ বাবে বিষয়টোৰ তদন্ত চি বি আইৰ হাতত অৰ্পণ কৰিবলৈ পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীক পত্ৰযোগে আহ্বান জনায়। মুখ্যমন্ত্ৰী ড০

শৰ্মাই যোৱা ১৮ জুনত প্ৰেৰণ কৰা পত্ৰখনত ফাইজান আহমেদৰ অস্বাভাৱিক মৃত্যু সন্দৰ্ভত শেহতীয়াকৈ ফৰেনচিক প্ৰতিবেদনত বিস্ফোৰক তথ্য পোহৰলৈ অহাৰ কথা উল্লেখ কৰি প্ৰয়াত আহমেদৰ পিতৃ-মাতৃক ন্যায় প্ৰদানৰ নিশ্চিতিৰ বাবে এই অপৰাধৰে জড়িত আন ব্যক্তিৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাটো অত্যন্ত প্ৰয়োজনীয় বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে ২০২২ চনৰ ২০ অক্টোবৰতো পশ্চিমবংগৰ মুখ্যমন্ত্ৰীগৰাকীক মুখ্যমন্ত্ৰী ড০ শৰ্মাই ফাইজান আহমেদৰ অস্বাভাৱিক মৃত্যুৰ পুংখানুপুংখ তদন্তৰ বাবে অনুৰোধ জনাই এখন পত্ৰ প্ৰেৰণ কৰিছিল। ২০২২ চনৰ ১৪ অক্টোবৰত আই আই টি খড়গপুৰৰ ছাত্ৰাবাসৰ কোঠাত ফাইজান আহমেদৰ মৃতদেহ উদ্ধাৰ হৈছিল। আই আই টি কৰ্তৃপক্ষই এয়া আত্মহত্যাৰ ঘটনা বুলি প্ৰকাশ কৰিছিল যদিও প্ৰয়াত ফাইজানৰ পিতৃ-মাতৃয়ে মৃতদেহত আঘাতৰ চিন দেখি হত্যা কৰা বুলি সন্দেহ প্ৰকাশ কৰিছিল।

০০০০০০০

বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো যোৱা ২১ জুনত দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জম্মু-কাশ্মীৰৰ শ্ৰীনগৰৰ শ্বেৰ-এ-কাশ্মীৰ আন্তঃৰাষ্ট্ৰীয় অভিৰৰ্তন কেন্দ্ৰত আয়োজিত যোগ দিৱসৰ মূল অনুষ্ঠানত অংশগ্ৰহণ কৰে। যোগ দিৱসৰ কাৰ্যসূচীত উপস্থিত সকলোকে সম্বোধন কৰি শ্ৰীমোদীয়ে শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক বিকাশত যোগৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে। বিশ্বৰ বিভিন্ন প্ৰান্তত যোগাভ্যাস কৰা ব্যক্তিৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পাই অহাৰ কথাও প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁৰ সৈতে হোৱা কথোপকথনত প্ৰায় সংখ্যক বিশ্বনেতাই যোগৰ প্ৰসংগ উত্থাপন কৰা বুলিও শ্ৰীমোদীয়ে লগতে কয়। যোৱা ১০বছৰত যোগে লাভ কৰা প্ৰসাৰতা আৰু প্ৰসিদ্ধিৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে এটা নতুন ধৰণৰ যোগ অৰ্থনীতিৰ সম্ভাৱনাৰ বিষয়ে আশা প্ৰকাশ কৰে। অসমৰ বিভিন্ন প্ৰান্তৰ যোগ দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়।

০০০০০০০

যোৱা ২০ জুনত বিষ্ণু ৰাভা দিৱস উপলক্ষে ৰাজ্য চৰকাৰৰ লগতে অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে দিনজোৰা কাৰ্যসূচীৰে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু শোণিতপুৰ জিলা প্ৰশাসনৰ সহযোগত দৰং মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত ২০২৪ বৰ্ষৰ বিষ্ণু ৰাভা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

এই কাৰ্যসূচীতে বিশিষ্ট লোকশিল্পী ধৰ্মেশ্বৰ নাথ আৰু চিত্ৰশিল্পী দুৰ্লভ ভট্টাচাৰ্যক ২০২৪ বৰ্ষৰ বিষ্ণুৰাভা বঁটাৰে সন্মানিত কৰা হয়। তদুপৰি অসমৰ কলা-সংস্কৃতি, সমাজ আৰু সাহিত্য জগতলৈ অমূল্য অৱদান আগবঢ়াই অহা ৯ গৰাকী স্বনামধন্য ব্যক্তিক এটা ৰাষ্ট্ৰীয় আৰু ৮টা ৰাজ্যিক পৰ্যায়ৰ বঁটাৰে সন্মানিত কৰা হয়।

০০০০০০০

শক্তিপীঠ কামাখ্যা ধামত কালিৰে পৰা অম্বুবাচী মেলা অনুষ্ঠিত হৈছে। কালি পুৱা ৮ বাজি ৪৩ মিনিট ৩৯ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হোৱাৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হয়। ২৬ জুনত দেৱীক পৰম্পৰাগতভাৱে স্নান আৰু নিত্য পূজাৰ পাছত পুৱা ৬ বজাত মন্দিৰৰ দুৱাৰ মুকলি কৰা হ'ব। কামাখ্যা মন্দিৰ পৰিচালনা সমিতিয়ে প্ৰকাশ কৰা মতে ২১ জুনৰ পৰা ৩০ জুনলৈ কোনোধৰণৰ ভি আই পি, ভি ভি আই পিৰ প্ৰৱেশ পত্ৰৰ ব্যৱস্থা ৰখা হোৱা নাই। একেদৰে ২৬ আৰু ২৭ জুনত বিশেষ টিকটৰ ব্যৱস্থা নাথাকিব। তদুপৰি

ভক্তসকলক মেলাৰ কেইদিন নিশা ৮ বজা পৰ্যন্তহে নীলাচল পাহাৰত প্ৰৱেশ কৰিবলৈ দিয়া হ'ব। অৱশ্যে পাণ্ডুৰ পৰা কামাখ্যা মন্দিৰলৈ যোৱা পথটো ভক্তসকলৰ বাবে নিশা ৯ বজা পৰ্যন্ত খোলা থাকিব।

এয়াই আছিল বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা উল্লেখযোগ্য বাতৰিসমূহত আলোকপাত।

oooooooo

সমাপ্ত